**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-07-2026
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। ৰাজ্যৰ সাম্প্ৰতিক বানত ৭ লাখ ৫১ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন। উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত।

২। ক্ষতিগ্ৰস্ত শিক্ষাৰ্থীসকলক বিনামুলীয়া পাঠ্যপুথিৰ পুনৰ যোগানৰ বাবে শিক্ষামন্ত্ৰীৰ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰনয়ণ আৰু প্ৰকাশন নিগম লিমিটেডক নিৰ্দেশ।

৩। বানৰ পাছত ৰাজ্যত কৃষি খণ্ডক পুনৰ শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে কৃষি আন্তঃগাথনি পুঁজি আঁচনিৰ অধীনত চৰকাৰৰ বিশেষ ব্যৱস্থা।

৪। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওচৰত পদত্যাগ পত্ৰ দাখিল। **আৰু**

৫। হাৰাৰেত ভাৰত আৰু জিম্বাবুৱেৰ মাজতত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল।

০০০০

অসমৰ বান পৰিস্থিতি এতিয়াও শোচনীয় হৈ আছে। বানৰ কবলত পৰা জিলাকেইখনৰ কোনো কোনো অঞ্চলত পানী কমিবলৈ লৈছে যদিও ১২ খন জিলাৰ ৮৫৬ খন গাঁও বানত বুৰ গৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে। এইবাৰৰ বানত ৭ লাখ ৫১ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ১৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ছজন, চৰাইদেউত ৭ জন আৰু যোৰহাটত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬১ হৈছেগৈ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ৫৬ হাজাৰ ৬০৬ হেক্টৰৰো অধিক কৃষিভূমি প্লাবিত হৈছে। বানপীড়িতসকলৰ বাবে স্থাপন কৰা ৯৬ টা আশ্ৰয় শিবিৰত ১ লাখ ১৫ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বান পৰিস্থিতি আজি সামান্য উন্নত হোৱা বুলি সদৰি কৰিছে। তেওঁ বানাক্ৰান্ত সকলো স্থানলৈ যাতে বান সাহায্য প্ৰেৰণ কৰিব পৰা যায় তাৰ বাবে সেনা বাহিনীৰ সহায় লোৱা বুলিও প্ৰকাশ কৰিছে। তদুপৰি ভাৰতীয় বায়ু সেনাৰ জৰিয়তেও উদ্ধাৰ আৰু সাহায্য অভিযান চলাই থকাৰ বিষয়েও তেওঁ সদৰি কৰে। আজি গুৱাহাটীৰ আজাৰাৰ কাঁহিকুচিৰ গোলাপ বৰবৰা এছ আই আৰ ডিত অনুষ্ঠিত পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভিযানত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে বান পৰিস্থিতি সন্দৰ্ভত এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বৰ্তমান বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬২ লৈ বৃদ্ধি পোৱা বুলিও কয়।

(বাইট-চি এম)

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱাল আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আজি শিৱসাগৰ জিলাৰ বানাক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি বান পৰিস্থিতিৰ বুজ লয়। কেন্দ্ৰীয় প্ৰতিনিধি দলৰ সৈতে শিৱসাগৰলৈ যোৱা নেতা দুজনে শিৱসাগৰৰ নাজিৰাকে ধৰি ১৬ খন জিলাৰ ক্ষয়ক্ষতিৰ বুজ ল'ব। দলটোৱে বানত ক্ষতিগ্ৰস্ত কৃষি, ঘৰ-দুৱাৰ, শৈক্ষিক প্ৰতিষ্ঠান আৰু আন্তঃগাঁথনিৰ ক্ষয়ক্ষতিৰ মূল্যায়ন কৰি কেন্দ্ৰীয় চৰকাৰক প্ৰতিবেদন দাখিল কৰিব বুলিও নেতাদ্বয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সোনোৱালে বান পীড়িতসকলৰ পুনৰ্বাসনৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে যুটীয়াভাৱে ব্যৱস্থা গ্ৰহণ কৰিব বুলিও কয়।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালে আজি ডিব্ৰুগড়ৰ জালান আউটডোৰ ষ্টেডিয়ামৰ পৰা বান ক্ষতিগ্ৰস্ত লোকলৈ সাহায্য সামগ্ৰী বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি জনসাধাৰণকো সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

(বাইট-সোনোৱাল)

শিৱসাগৰ জিলাত বান পৰিস্থিতি আজি কিছু উন্নত হৈছে। ভালেমান ঠাইত পানী কমিছে যদিও কেতবোৰ অঞ্চলত বান পৰিস্থিতি জটিল হৈয়ে আছে। জল সম্পদ বিভাগৰ শেহতীয়া তথ্য অনুসৰি ব্ৰহ্মপুত্ৰ, দিহিং, দিচাং আৰু দিখৌ নৈৰ জলস্তৰ কেতবোৰ অঞ্চলত বিপদ সীমাৰ তললৈ নামিছে। দিচাং নদীৰ জলস্তৰ নঙলামাৰা আৰু এ টি ৰোড ক্ৰচিঙত হ্ৰাস পাইছে। নাজিৰা আৰু গোৱাল গাঁৱত দিখৌ নৈৰ জলস্তৰ বিপদ সীমাৰ তলেৰে বৈ আছে। অৱশ্যে এ টি ৰোড ক্ৰচিঙত দিখৌ, ধাইআলিত দৰিকা আৰু এ টি ৰোড ক্ৰচিঙত মিতং নৈৰ জলস্তৰ এতিয়াও বিপদ সীমাৰ এপৰতে আছে।

যোৰহাট জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ উদ্যোগত আজি বান সাহায্য কাৰ্যসূচী ৰূপায়ন কৰা হয়। সন্থাৰ প্ৰতিনিধি দলে বানাক্ৰান্ত দুৰ্গম অঞ্চললৈ গৈ সাহায্য সামগ্ৰী বিতৰণ কৰে।

ইপিনে, নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ জলধাৰৰ পানী ক্ৰমাৎ বৃদ্ধি পোৱাৰ বাবে প্ৰকল্পটোৰ চাৰিখন স্পীলৱে গে'ট খুলি দিবলগীয়া হৈছে। বৰ্তমান এই গে'টেৰে প্ৰতি ছেকেণ্ডত প্ৰায় ২ লাখ ১১ হাজাৰ লিটাৰ পানী এৰি দিয়া হৈছে। ইয়াৰ ফলত গোলাঘাট আৰু বোকাখাত মহকুমাৰ কেইবাখনো নদীৰ জলস্তৰ বৃদ্ধি পাইছে। ইয়াৰ ফলত জিলাখনৰ মেৰাপানীৰ কাচমাৰী অঞ্চলৰ ধৰমপুৰ, ইটানগৰ, পদুমপথাৰৰ কিছু অঞ্চলৰ কৃষিভূমিত পানী সোমাইছে। বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি গোলাঘাট জিলাৰ আয়ুক্তই এই অঞ্চলসমূহ পৰিদৰ্শন কৰে। পৰিস্থিতি পৰিদশৰ্ন কৰি জিলা আয়ুক্তগৰাকীয়ে কয় যে যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ গোলাঘাট জিলা প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈ আছে।

বান প্ৰভাৱিত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। দুৰ্যোগ সঁহাৰি বাহিনী, জিলা প্ৰশাসন, অগ্নি আৰু জৰুৰীকালীন সেৱা বাহিনী, এছ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজে উদ্ধাৰ অভিযানত সহায় কৰিছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে। কৰ্তৃপক্ষসমূহে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু বেয়াকৈ ক্ষতিগ্ৰস্ত জিলাসমূহত উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **বান পৰিস্থিতি আৰু কিছু আনুসংগিক চিন্তা** এই বিষয়ত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ লব গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, প্ৰাক্তন ভূগোলবিদ, পৰিবেশকৰ্মী ড° অৱনী

কুমাৰ ভাগৰতী, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰকল্প বিষয়া মন্দিৰা বুঢ়াগোহাই আৰু চাবুৱাৰ টাটা ৰেফাৰেল হাস্পতালৰ মেডিচিন বিভাগৰ বিশেষজ্ঞ চিকিৎসক শান্তনু বৰগোঁহাইয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব পৰিস্মিতা দিহিঙিয়াই।

ooooo

বানত ক্ষতিগ্ৰস্ত শিক্ষাৰ্থীসকলক বিনামুলীয়া পাঠ্যপুথিৰ পুনৰ যোগান ধৰাৰ বাবে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰনয়ণ আৰু প্ৰকাশন নিগম লিমিটেডক নিৰ্দেশ দিছে। সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে বিভিন্ন জিলাত বানৰ ফলত হোৱা ক্ষয় ক্ষতিৰ মূল্যায়নৰ পাছত ক্ষতিগ্ৰস্ত শিক্ষাৰ্থীসকলক পুনৰ পাঠ্যপুথি যোগান ধৰাৰ বাবে প্ৰস্তুতি চলাবলৈ নিগমক নিৰ্দেশ দিয়া হৈছে। ইয়াৰ বাবে বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াক প্ৰয়োজনীয় পাঠপুথিৰ তালিকা অতি সোনকালে দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিশেষকৈ ক্ষতিগ্ৰস্ত চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ শিক্ষাৰ্থীসকলৰ বাবে পাঠ্যপুথিৰ পুনৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন যাতে ব্যাহত নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়ৰ গ্ৰীষ্মবন্ধ খোলাৰ লগে লগে পাঠ্যপুথিসমূহ প্ৰেৰণ কৰা হ'ব বুলি ডাঃ পেগুৱে উল্লেখ কৰে। প্ৰতিকুল পৰিস্থিতিৰ মাজতো শৈক্ষিক প্ৰক্ৰিয়া অব্যাহত ৰখাতো অগ্ৰাধিকাৰৰ বিষয় বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

ooooo

বানৰ পাছত ৰাজ্যত কৃষি খণ্ডক পুনৰ শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে কৃষি আন্তঃগাথনি পুঁজি আঁচনিৰ অধীনত চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। কালি পৰ্যন্ত ৰাজ্যৰ ৮৯৩ গৰাকী কৃষক, কৃষক উৎপাদক সংস্থা আৰু কৃষি উদ্যোগীয়ে এই পুঁজিৰ অধীনত প্ৰায় এহেজাৰ ১৮১ কোটি ১৩ লাখ টকাৰ ঋণৰ সুবিধা দিয়া হৈছে। আজি গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কৃষি আন্তঃগাঁথনি পুজি বিষয়ক এখন কৰ্মশালা আৰু সজাগতা কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। এই অনুষ্ঠানত কৃষি মন্ত্ৰী পীযুষ হাজৰিকাও উপস্থিত থাকে। ২ কোটি টকালৈকে ঋণৰ ওপৰত ৩ শতাংশ সূদ ৰেহাই, ৯০ শতাংশ পৰ্যন্ত বেংক ঋণ, ক্ৰেডিট গেৰাণ্টিৰ সুবিধাৰ লগতে গুডামঘৰ, শীতল ভড়াল, প্ৰক্ৰিয়াকৰণ কেন্দ্ৰ, ড্ৰোন, সৌৰশক্তিচালিত কৃষি পাম্প আদি আধুনিক কৃষি আন্তঃগাথনি গঢ়ি তোলাৰ ক্ষেত্ৰত এই আঁচনিয়ে সহায় কৰিব। আজি কেইবাগৰাকীও কৃষি উদ্যমীৰ হাতত ঋণৰ চেক প্ৰদান কৰা হয়।

এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হ'ল- কৃষি আন্তঃগাঁথনি উন্নয়েনেৰে সমৃদ্ধিশালী অসম গঢ়ি তোলা। শস্য চপোৱাৰ পাছত প্ৰয়োজন হোৱা কৃষি আন্তঃগাঁথনি নিৰ্মাণ, মূল্য সংযোজনক উৎসাহ প্ৰদান, কৃষি সামগ্ৰীৰ পৰিবহন তথা যোগান ব্যৱস্থা সৰলীকৰণ, বিত্তীয় সাহায্য আৰু ঋণৰ সুবিধা, কৃষি ভিত্তিক উদ্যোগ তথা এই দিশত উদ্যমিতাক উৎসাহ প্ৰদান আৰু কৃষি ক্ষেত্ৰত বহনক্ষম প্ৰযুক্তি তথা উদ্ভাৱনৰ বিকাশৰ উদ্দেশ্যে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কৃষক, কৃষি উদ্যোগী, ষ্টাৰ্ট আপ, বিনিয়োগকাৰী, বেংক আৰু বিত্তীয় প্ৰতিষ্ঠান তথা সহযোগী উন্নয়ন সংস্থাসমূহৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লোৱাৰ পাছত কৃষিমন্ত্ৰী শ্ৰীহাজৰিকাই কয়, যে বানত ক্ষতিগ্ৰস্ত কৃষকসকলক শীঘ্ৰে কঠিয়া আৰু অন্য কৃষি সামগ্ৰী প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। মন্ত্ৰীগৰাকী নিজে বান ক্ষতিগ্ৰস্ত জিলাকেইখনত কৃষকসকলৰ ক্ষয় ক্ষতিৰ বুজ লব বুলি উল্লেখ কৰে।

বাইট- পিযুষ হাজৰিকা

০০০০

উত্তৰ-পূৰ সীমান্ত ৰে'লৱেৰ তিনিচুকীয়া মণ্ডলৰ অন্তৰ্গত বান ক্ষতিগ্ৰস্ত ৰে'লখণ্ডসমূহ যুদ্ধকালীন তৎপৰতাৰে পুনৰ উপযোগী কৰি তোলাৰ কাম অব্যাহত ৰাখিছে। এই ৰে'লপথসমূহেৰে পুনৰ ৰে'ল চলাচল আৰম্ভ কৰাৰ বাবে ক্ষতিগ্ৰস্ত স্থানসমূহত বৃহৎ সংখ্যক কৰ্মী নিয়োগ আৰু অত্যাধুনিক যন্ত্ৰপাতি ব্যৱহাৰ কৰি দিনে নিশাই কাম চলাই থকা হৈছে। শিমলুগুৰি লাকুৱা খণ্ডৰ ৰে'লপথৰ গাথনি শক্তিশালীকৰণৰ কাম অব্যাহত আছে আৰু সেই স্থানত ক্ষতিগ্ৰস্ত ৰে'লপথ উন্নীত কৰাৰ বাবে বোলদাৰ আনলোডিঙৰ কাম চলি আছে বুলি ৰে'ল বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। একেদৰে আমগুৰি চেলেংহাট খণ্ডৰ ক্ষতিগ্ৰস্ত অংশসমূহত বালিৰ বেগ, বাহনৰ পাইলিং, আৰু ৰে'ল পাইলিং ব্যৱহাৰ কৰি ৰে'লপথৰ ভেটি সুদৃঢ় কৰাৰ কাম দ্ৰুত গতিত চলি আছে। ইয়াৰ সমান্তৰালভাৱে বালিৰ বেগ, ৰে'ল আৰু বোলদাৰৰ পৰিবহনৰ কামো অব্যাহত আছে। সামগ্ৰিকভাৱে ৰে'লপথৰ মেৰামতিৰ কাম ত্বৰান্বিত কৰিবলৈ সমগ্ৰ ক্ষতিগ্ৰস্ত অঞ্চলত ৭ শতাধিক শ্ৰমিক নিয়োগ কৰা হৈছে আৰু কম সময়ৰ ভিতৰতে পুনৰ উদ্ধাৰ কাৰ্য সম্পূৰ্ণ হ'ব বুলি ৰে'ল বিভাগে আশা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে উজনি অসমত আকস্মিক বান পৰিস্থিতিৰ ফলত ৰে'ল পথ ক্ষতিগ্ৰস্ত হোৱাৰ পৰিপ্ৰেক্ষিতত উজনি অসমলৈ চলাচল কৰা ৰে'ল সেৱা ব্যাহত হৈছে।

যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি শিমলুগুৰি - নামতিআলি আৰু শিমলুগুৰি - চেলেংহাট অংশৰে ৰে'লৰ চলাচল পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত বন্ধ ৰখা হৈছে। একেদৰে ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ পৰা চলাচল কৰিবলগীয়া কেইবাখনো দীৰ্ঘ দূৰত্বৰ ৰে'ল ৰঙিয়া-ৰঙাপাৰা - ডিব্ৰুগড় পথেৰে চলাচল কৰোৱা হৈছে। কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল কৰা হৈছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে চি জে পিৰ মূল দাবীসমূহ মানি লোৱাৰ আশ্বাস দিয়াৰ পাছত সংগঠনটোৱে দিল্লীৰ জন্তৰ মন্তৰত চলাই অহা আন্দোলন প্ৰত্যাহাৰ কৰিছে। আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা আৰু ডঃ জিতেন্দ্ৰ সিঙে চি জে পিৰ প্ৰতিনিধি দলৰ সৈতে আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত আয়োজিত এখন যৌথ সংবাদমেলত মন্ত্ৰী নাড্ডাই আন্দোলনত অংশগ্ৰহণ কৰা প্ৰতিবাদকাৰীৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নহ'ব আৰু নতুনকৈ কোনো এফ আই আৰ ৰুজু কৰা নহ'ব বুলি ঘোষণা কৰে। তদুপৰি নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা ঘটনা সন্দৰ্ভত আত্মহনন কৰা শিক্ষাৰ্থীসকলৰ পৰিয়ালক প্ৰচলিত নিয়ম-নীতি অনুসৰি সৰ্বাধিক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব বুলি কয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁৰ পদত্যাগ পত্ৰ দাখিল কৰে। তেওঁ নতুন দিল্লীৰ জন্তৰ মন্তৰ আৰু সমগ্ৰ দেশৰ পৰিস্থিতি বিবেচনা কৰাৰ উপৰি এই সময়ত ৰাষ্ট্ৰবিৰোধী শক্তিসমূহক প্ৰতিহত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা বুলি কয়। উল্লেখযোগ্য যে নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ পাছত কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীৰ পদত্যাগৰ উপৰি আন কেতবোৰ দাবীত বিভিন্ন সংগঠনে বিগত ২০ দিনৰো অধিক সময় ধৰি নতুন দিল্লীৰ জন্তৰ মন্তৰ আৰু দেশৰ অন্যান্য ঠাইত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰি আহিছিল।

০০০০

গোৱালপাৰা জিলাৰ ঐতিহাসিক উৰপদ বিলৰ সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনে কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰায় ৩ হাজাৰ ৫০০ বিঘা আয়তনৰ এই বিলখনৰ পানী ক্ৰমান্বয়ে শুকাই যোৱাৰ ফলত বিলখন সংকোচিত হৈ পৰাৰ বাবে এনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য

যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে এই বিলখনক বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰা হ'ব বুলি উল্লেখ কৰি ইয়াৰ সংৰক্ষণৰ বাবে জিলা প্ৰশাসনক দিয়া নিৰ্দেশৰ পাছতে এনে পদক্ষেপ গ্ৰহণ কৰা হৈছে। জিলা আয়ুক্ত প্ৰদীপ টিমুঙে আজি বন সংমণ্ডল প্ৰাধিকাৰীৰ সৈতে বিলখন পৰিদৰ্শন কৰি জিনাৰি নৈৰ পৰা পানী সোমাব পৰাকৈ কালভাৰ্ট নিৰ্মাণৰ বিষয়ে আলোচনা কৰে। উল্লেখযোগ্য যে বিলখনৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ বাবে নিৰীক্ষণ টাৱাৰ স্থাপন, গছপুলি ৰোপণ আৰু মথাউৰি নিৰ্মাণ কৰাৰ লগতে সমগ্ৰ অঞ্চলটো প্লাষ্টিকমুক্ত এলেকা হিচাপে ঘোষণা কৰা হৈছে। এই সন্দৰ্ভত জিলা আয়ুক্ত প্ৰদীপ টিমুঙে এইদৰে কয়ঃ

বাইট-প্ৰদীপ টিমুঙ

০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতে - জিম্বাব'ৱেক জয়ৰ বাবে ২২০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেটিঙৰ আমন্ত্ৰণ লাভ কৰি ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ১১৯ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত জিম্বাব'ৱে বাতৰি যুগুতোৱাৰ পৰলৈ ৩ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ২৩ ৰান সংগ্ৰহ কৰি খেলি আছে।

ভাৰত সম্প্ৰতি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে পৰহি একেটা স্থানত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল জিম্বাব'ৱেক ৭ উইকেটত পৰাস্ত কৰে। কাইলৈ শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল একেটা স্থানত অনুষ্ঠিত হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ